**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 16**-08-2024
**Time :** 1800Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***::::::::::::::::::::::::::::::::::::***

আজি নতুন দিল্লীত ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাসমূহ ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় তথ্য সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ বিচাৰক মণ্ডলীয়ে ঘোষণা কৰা অনুসৰি **এমুঠি পুঠি** নামৰ ছবিখনে অসমীয়া ভাষাৰ শ্ৰেষ্ঠ ছবি তথা ৰজতকমল বঁটা লাভ কৰিছে। একেদৰে দৰে তিৱা ভাষাৰ চলচ্চিত্ৰ **ছিকাইশাল**লৈ তিৱা ভাষাৰ ৰজত কমল বঁটা আগবঢ়োৱা হৈছে। নৰপন ডেকা পৰিচালিত অসমীয়া চুটি ছবি **শূন্যতাই** শ্ৰেষ্ঠ চুটি ছবি তথা ৰজত কমল বঁটা লাভ কৰিছে। আনহাতে তথ্য চিত্ৰ শিতানত আইমী বৰুৱা পৰিচালিত বিৰুবালা, **Witch to Padmashri**, আৰু পাৰ্থসাৰথী মহন্ত পৰিচালিত আন এখন অসমীয়া তথ্য চিত্ৰ হাড়গিলা ঃ **The Greater adjutant stork** লৈ বিচাৰকৰ বিশেষ বঁটা আগবঢ়োৱা হৈছে।

২০২২ চনৰ বাবে ঘোষণা কৰা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ শ্ৰেষ্ঠ চলচ্চিত্ৰ হিচাপে মালায়ালাম চলচ্চিত্ৰ **আট্টম**ৰ নাম ঘোষণা কৰা হৈছে। আনহাতে শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ কৰিছে **আয়েনা** নামৰ তথ্যচিত্ৰখনে। হিন্দী চলচ্চিত্ৰ **উঁচাই**ৰ পৰিচালনাৰ বাবে সূৰজ বৰজাত্যই শ্ৰেষ্ঠ পৰিচালকৰ বঁটা লাভ কৰে। আনহাতে ফিচাৰ ফিল্ম শিতানত **গুলমোহৰে** শ্ৰেষ্ঠ হিন্দী ছবি বঁটা লাভ কৰিছে। হাৰিয়ানাৰ চলচ্চিত্ৰ **ফৌজাই** তথ্যচিত্ৰৰ শিতানত গীতৰ কথাৰ বাবে শ্ৰেষ্ঠ সন্মান লাভ কৰিছে। **কান্তাৰা** ছবিৰ বাবে ঋষভ ছেট্টীয়ে শ্ৰষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছে।

আনহাতে, তামিল চলচ্চিত্ৰ **থিৰুচিত্ৰবলমত** কৰা অভিনয়ৰ বাবে নিত্য মেনন আৰু গুজৰাটী চলচ্চিত্ৰ **কচ্চ এক্সপ্ৰেছত** কৰা মানসী পাৰেখলৈ শ্ৰেষ্ঠ অভিনেত্ৰীৰ সন্মান আগবঢ়োৱা হৈছে। অৰিজিৎ সিঙে শ্ৰেষ্ঠ নেপথ্য গায়ক, বম্বে জয়শ্ৰীয়ে শ্ৰেষ্ঠ নেপথ্য গায়িকাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰিছে।

০০০০০০০০

ধেমাজী জিলাৰ কাছাৰী ময়দানত ২০০৪ চনৰ ১৫ আগষ্টত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ যোৱাৰ সময়ত উগ্ৰপন্থীয়ে সংঘটিত কৰা বোমা বিস্ফোৰণত নিহত লোকসকলৰ স্মৃতিত আজি শোক দিৱস পালন কৰা হয়। লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত এই উপলক্ষে নিহতসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলক শপত বাক্য পাঠ কৰোৱা হয়। এই কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত, বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে ভালেমান কৰ্মচাৰী উপস্থিত থাকে। ইয়াৰ উপৰিও জিলাখনৰ আন আন বিভাগসমূহতো শোক দিৱস পালন কৰা হয়। মাজুলী জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয়তো আজি এই উপলক্ষে সন্ত্ৰাসবাদ আৰু হিংসাৰ বিৰোধিতাৰে বিষয়া কৰ্মচাৰীসকলে শপত বাক্য পাঠ কৰে। ডিব্ৰুগড় জিলা আয়ুক্ত বৈক্ৰম কৈৰীৰ উপস্থিতিত আজি কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক শপত বাক্য পাঠ কৰোৱা হয়। চৰাইদেউ জিলা আয়ুক্তৰ কাৰ্যালয়ত শোক দিৱসৰ কাৰ্যসূচীত জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে

বিভিন্ন বিষয়া-কৰ্মচাৰীক সন্ত্ৰাসবাদ বিৰোধী শপত বাক্য পাঠ কৰোৱায়। তিনিচুকীয়া জিলা আয়ুক্তৰ কাৰ্যালয়তো ধেমাজীৰ উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত শিশুসহ নিৰিহ লোকৰ প্ৰাণ ত্যাগৰ সেই বিভিষিকাময় দিনৰ কথা সুঁৱৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয় বুলি আমাৰ সংবাদদাতাসকলে জানিবলৈ দিছে।

০০০০০০০০

শিৱসাগৰৰ দৌলমুখ চাৰিআলিত আজি মটক জনগোষ্ঠীয় কেইবাটাও দল সংগঠনে তেওঁলোকৰ বিভিন্ন দাবীত ধৰ্মঘট কাৰ্য্যসূচী ৰূপায়ণ কৰে। সদৌ অসম মটক সন্মিলন, মটক যুৱ ছাত্ৰ সন্মিলন, মটক মহিলা পৰিষদে মটক জনগোষ্ঠীক জনজাতিৰ মৰ্যদা প্ৰদান কৰা, এখন পূৰ্ণাংগ মটক স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা, মটক জনগোষ্ঠীৰ কীৰ্তিচিহ্নসমূহ সংৰক্ষণ কৰাকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত এই কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিৰ অন্তৰ্গত প্ৰাদেশিকৃত আৰু অপ্ৰাদেশিকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আয়োজন কৰা দ্বিতীয় বাৰ্ষিক বিধায়কৰ প্ৰতিভা সন্ধানি পৰীক্ষা ২০২৪ৰ ফলাফল আজি ঘোষণা কৰা হয়। ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাই ফলাফলসমূহ ঘোষণা কৰে।

০০০০০০০০

ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই আজি মৰিগাওঁ জিলাত থকা পবিতৰা অভয়াৰণ্যৰ পৰিসৰ বৃদ্ধি কৰাৰ সন্দৰ্ভত দেশৰ সৰ্বোচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা গোচৰটোৰ সন্দৰ্ভত সংশ্লিষ্ট কেইবাটাও পক্ষৰ সৈতে বিশদভাৱে আলোচনা কৰে। আলোচনাত ৰাজ্যৰ বন বিভাগৰ দায়িত্বত থকা বিশেষ মুখ্য সচিব এম কে যাদৱ, মৰিগাওঁ আৰু কামৰূপ মহানগৰ জিলা আয়ুক্ত, গুৱাহাটী আৰু নগাওঁ বন সংমণ্ডলৰ বিষয়াৰ লগতে আন বিভাগীয় বিষয়াসকল উপস্থিত থাকে। বৈঠকত বন্য প্ৰাণীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি পবিতৰা অভয়াৰণ্যৰ পৰিসৰ বৃদ্ধিৰ বাবে কোনো সমস্যাৰ উদ্ভৱ নোহোৱাকৈ স্থানীয় লোকৰ পৰা কিদৰে ভূমি অধিগ্ৰহণ কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰা হয়।

মন্ত্ৰীগৰাকীয়ে আজি জাগীভকতগাওঁ মণ্ডল কাৰ্যালয়ত জাগীৰোড সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা বঘৰা আৰু দিঘলবড়ী পঞ্চায়তৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। আজিৰ অনুষ্ঠানতে মন্ত্ৰী হাজৰিকাই পঞ্চায়ত দুটাৰ অন্তৰ্গত কেইটামান নামঘৰলৈ সাহায্য সামগ্ৰী বিতৰণ কৰে।

০০০০০০০০

ঃসমাপ্তঃ